participation conservation empowerment livelihood security

ASSAM PROJECT ON
FOREST & BIODIVERSITY
CONSERVATION

afd
AGENCE FRANÇAISE DE DÉVELOPPEMENT

# ঢেকীয়াজান ৰাজালি যুটীয়া বন পৰিচালনা সমিতি
# (জে এফ এম চি)

ডিগবৈ বন সংমণ্ডল

উত্তৰ অসম চক্ৰ

# ক্ষুদ্ৰ পৰিকল্পনা

(২০১৬-১৭ৰ পৰা ২০২৫-২৬ লৈ)

ঢেকীয়াজান ৰাজালি যুটীয়া বন পৰিচালনা সমিতি (JFMC)ৰ দ্বাৰা প্ৰস্তুত

সহায়কাৰী

অসম বন বিভাগ

আৰু

ক্ষুদ্ৰ পৰিকল্পনা আৰু জীৱিকাৰ সুযোগ বৃদ্ধিৰ বাবে গঠিত মহাজোঁট (কম্পেল', COMPELO)

[ আই আই ই (IIE) আৰু আৰ জি ভি এন (RGVN) ]

Approved

জুন, ২০১৭

Divisional Forest Officer
Digboi Division, Digboi
Tinsukia, Assam

# সংক্ষিপ্ত শব্দৰ সম্পূৰ্ণ নামৰ তালিকা

| সংক্ষিপ্ত | সম্পূৰ্ণ নাম |
|---|---|
| এ পি এফ বি চি (APFBC) | বন আৰু জৈৱ বৈচিত্ৰ্য সংৰক্ষণৰ অসম প্ৰকল্প<br>(আছাম প্ৰজেক্ট অন ফৰেষ্ট এণ্ড বায়'ডাইভাৰ্ছিটী কনজাৰভেচন) |
| এ এফ ডি (AFD) | এজেন্সি ফ্ৰেন্সাইজি ডি ডেভেলপমেণ্ট |
| বি পি এল (BPL) | দাৰিদ্ৰ্য সীমাৰেখাৰ তলৰ (বিল' পভাৰ্টী লাইন) |
| এ পি এল (APL) | দাৰিদ্ৰ্য সীমাৰেখাৰ ওপৰৰ (এব'ভ পভাৰ্টী লাইন) |
| কম্পেল'<br>(COMPELO) | ক্ষুদ্ৰ পৰিকল্পনা আৰু জীৱিকাৰ সুযোগ বৃদ্ধিৰ বাবে গঠিত মহাজোঁট<br>কনছাল্টিং ছাৰ্ভিচ ফৰ মাইক্ৰ'প্লেনিং এনহেনচিং লাইভলিহুড অপৰচুনিটিজ |
| চি এম এল (CML) | ক্ষুদ্ৰ বিত্তীয় সাহায্য আৰু জীৱিকা কেন্দ্ৰ ( চেণ্টাৰ ফৰ মাইক্ৰ'-ফাইনেন্স এণ্ড লাইভলিহুড) |
| ই পি এ (EPA) | প্ৰাৰম্ভিক কাৰ্যসূচী (এণ্ট্ৰি পইণ্ট এক্টিভিটী) |
| জি আই এছ (GIS) | ভূ-তাত্বিক তথ্য ব্যৱস্থা (জিঅ'গ্ৰাফিকেল ইনফৰ্মেচন চেণ্টাৰ) |
| এইচ এ (Ha) | হেক্টৰ |
| আই আই ই (IIE) | ভাৰতীয় উদ্যমিতা প্ৰতিষ্ঠান (ইণ্ডিয়ান ইনষ্টিটিউট অব্ এণ্টাৰপ্ৰিনিয়ৰশ্বিপ) |
| জে এফ এম চি (JFMC) | যৌথ বন পৰিচালনা সমিতি (জইণ্ট ফৰেষ্ট মেনেজমেণ্ট কমিটী) |
| কে জি (Kg.) | কিলোগ্ৰাম |
| কে এম (Km.) | কিলোমিটাৰ |
| এম টি (MT) | মেট্ৰিক টন |
| এন জি অ' (NGO) | বেচৰকাৰী স্বেচ্ছাসেৱী সংস্থা (নন গভৰ্ণমেণ্টেল অৰ্গেনাইজেচন) |
| এন টি এফ পি (NTFP) | কাঠ ভিন্ন বন উৎপাদন (নন টিম্বাৰ ফৰষ্টে প্ৰডিউচ) |
| এন ডব্লিউ এফ পি (NWFP) | কাঠ ভিন্ন বনজ উৎপাদন (নন উড ফৰেষ্ট প্ৰডাক্ট) |
| পি ডি এছ (PDS) | ৰাজহুৱা বিতৰণ ব্যৱস্থা (পাব্লিক ডিষ্ট্ৰিবিউচন ছিষ্টেম) |
| পি আৰ এ (PRA) | অংশগ্ৰহণমূলক গ্ৰামীণ মূল্যায়ন (পাৰ্টিচিপেটৰি ৰুৰেল এপ্ৰাইজেল) |
| আৰ জি ভি এন (RGVN) | ৰাষ্ট্ৰীয় গ্ৰামীণ বিকাশ নিধি |
| আৰ এছ (Rs) | ভাৰতীয় টকা (ইণ্ডিয়ান ৰুপি) |
| এছ এইচ জি (SHG) | আত্মসহায়ক গোট ( ছেল্‌ফ হেল্প গ্ৰুপ) |
| ভি চি ডি চি (VCDC) | গাঁও পৰিষদ উন্নয়ন সমিতি (ভিলেজ কাউন্সিল ডেভেলপমেণ্ট কমিটী) |

# ঢেকীয়াজান ৰাজালি পূৰ্বাঞ্চল যুটীয়া বন পৰিচালনা সমিতি
## ডিগবৈ বন সংমণ্ডল

## ১০ বছৰৰ বাবে ক্ষুদ্ৰ পৰিকল্পনা
## (জীৱিকা উন্নয়ন পৰিকল্পনা আৰু বন উন্নয়ন পৰিকল্পনা)

<u>সূচীপত্ৰ</u>


| অধ্যায় | শিৰোনাম | পৃষ্ঠা নং |
|---|---|---|
| ১ | ভূমিকা | ৩ |
| ২ | গাঁৱৰ আৰ্থ-সামাজিক ৰূপৰেখা | ৪ |
| ৩ | জীৱিকা বিশ্লেষণ-গাঁথনি (ফ্ৰেমৱৰ্ক) আৰু আহিলা | ৮ |
| ৪ | জীৱিকা উন্নয়ন পৰিকল্পনা | ১৪ |
| ৫ | বন উন্নয়ন পৰিকল্পনা | ১৫-৩১ |
| ৬ | **পৰিশিষ্ট তালিকা** | ৩২-৬২ |

## ১। ভূমিকা

| | |
|---|---|
| **কম্পেল'ৰ প্ৰকল্প সম্পৰ্কে (ক্ষুদ্ৰ পৰিকল্পনা আৰু জীৱিকাৰ সুযোগ বৃদ্ধিৰ বাবে গঠিত মহাজোঁট,** COMPELO) ঃ | অসম বন আৰু জৈৱ-বৈচিত্ৰ্য সংৰক্ষণ প্ৰকল্প (আছাম প্ৰজেক্ট অন্ ফৰেষ্ট এণ্ড বায়'ডাইভাৰ্ছিটী কনজাৰ্ভেচন)ৰ উদ্দেশ্য হৈছে— 'নিৰ্দিষ্ট এলেকাৰ বনাঞ্চলৰ ওপৰত নিৰ্ভৰশীল জনগোষ্ঠীসমূহৰ অংশগ্ৰহণেৰে আৰু বনজ আৰু বনজবহিৰ্ভূত সম্পদৰ বহনক্ষম ব্যৱহাৰৰ জৰিয়তে তেওঁলোকৰ জীৱিকা সুনিশ্চিত কৰিবলৈ বিশেষ গুৰুত্ব আৰোপ কৰাৰ লগতে বহুমুখী সুসংহত পৰিকল্পনাৰে অসমত স্থিতিশীল বন আৰু জৈৱ-বৈচিত্ৰ্য সংৰক্ষণ আৰু পৰিচালনৰ ব্যৱস্থা কৰা।' প্ৰকল্পটোৰ লক্ষ্য হৈছে— 'বনাঞ্চলৰ ওপৰত নিৰ্ভৰশীল জনগোষ্ঠীসমূহৰ সহযোগত তেওঁলোকৰ জীৱিকা আৰু জৈৱ-বৈচিত্ৰ্যৰ সংৰক্ষণ আৰু স্থিতিশীল ব্যৱহাৰৰ জৰিয়তে বনাঞ্চল সংৰক্ষণ আৰু পৰিৱেশতন্ত্ৰক পুনৰুদ্ধাৰ কৰা।'<br><br>এই প্ৰকল্পটোলৈ আৰ্থিক অনুদান আগবঢ়াইছে এজেন্সী ফ্ৰান্সিজ ডি ডেভেলপমেণ্ট অৰ্থাৎ ফ্ৰান্স ডেভেলপমেণ্ট এজেন্সীয়ে। সহযোগ কৰিছে অসম চৰকাৰে। প্ৰকল্পটোৰ পৰিকল্পনা, ৰূপায়ণ, নিৰীক্ষণ, সমন্বয় আৰু ব্যৱস্থাপনাকে ধৰি সকলো কামৰ দায়িত্বত আছে আছাম প্ৰজেক্ট অন ফৰেষ্ট এণ্ড বায়'ডাইভাৰ্ছিটী কনজাৰ্ভেচন ছ'চাইটী। |
| **ক্ষুদ্ৰ পৰিকল্পনা আৰু জীৱিকা উন্নয়ন** | বজাৰৰ সম্ভাৱনীয়তাভিত্তিক মূল্য সংযোজনৰ জৰিয়তে জীৱিকাৰ কাম-কাজ উন্নত কৰিবলৈ প্ৰকল্পটোত উদ্যোগমূলক বিকাশ, উৎপাদিত সামগ্ৰীৰ প্ৰক্ৰিয়াকৰণৰ জৰিয়তে মূল্য সংযোজন আৰু বিপণনৰ ওপৰত গুৰুত্ব দিয়া হৈছে। জনসংখ্যা বৃদ্ধিৰ লগে লগে বনজ সম্পদ ওপৰত বৃদ্ধি পোৱা হেঁচাৰ পৰিপ্ৰেক্ষিতত এনে পদক্ষেপ জৰুৰী হৈ পৰিছে। বজাৰ সম্ভাৱনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি বৰ্তমানে উপলব্ধ বনজ আৰু জৈৱ-বৈচিত্ৰ্য সামগ্ৰী আৰু সেৱাসমূহত মূল্য সংযোজনৰ উপায় উদ্ভাৱন কৰাটো প্ৰয়োজন হৈ পৰিছে। তদুপৰি, বনাঞ্চলভিত্তিক জীৱিকাৰ বাহিৰে জীৱিকাৰ অন্য পথ বিচাৰি উলিওৱা আৰু দক্ষতা বিকাশ পদক্ষেপৰ জৰিয়তে সম্প্ৰদায়ৰ সদস্যসকলৰ সক্ষমতা বৃদ্ধি কৰাও দৰকাৰ।<br><br>প্ৰকল্পটোৰ অধীনত ক্ষুদ্ৰ পৰিকল্পনা আৰু জীৱিকা উন্নয়নৰ কাৰ্যসূচী ৰূপায়ণৰ বাবে ভাৰতীয় উদ্যমিতা প্ৰতিষ্ঠান (ইণ্ডিয়ান ইনষ্টিটিউট অব্ এণ্ট্ৰাপ্ৰিনিঅ'ৰশ্বিপ, আই আই ই), গুৱাহাটী আৰু ৰাষ্ট্ৰীয় গ্ৰামীণ বিকাশ নিধি (আৰ জি ভি এন), আৰু 'চেণ্টাৰ ফৰ মাইক্ৰ' ফাইনেন্স এণ্ড লাইভলিহুড' (চি এম এল)ক লৈ এখন সমিতি গঠন কৰা হৈছে। এই সমিতিখনৰ নাম দিয়া হৈছে— ক্ষুদ্ৰ পৰিকল্পনা আৰু জীৱিকাৰ সুযোগ বৃদ্ধিৰ বাবে গঠিত মহাজোঁট (কনছাল্টিং ছাৰ্ভিচ ফৰ মাইক্ৰ'প্লেনিং এনহেন্সিং লাইভলিহুড অপৰ্চুনিটিজ)' চমুকৈ কম্পেল'।<br><br>প্ৰকল্পটোৰ নিৰ্দেশনা মতে এই ক্ষুদ্ৰ পৰিকল্পনাত অন্তৰ্ভুক্ত হৈ আছে 'গাঁও আৰু বন বিভাগৰ বিভিন্ন অভিযান... বনাঞ্চলৰ ওপৰত নিৰ্ভৰশীল সদস্যক জীৱিকাৰ ক্ষেত্ৰত সহায় কৰা আৰু স্থিতিশীল বন ব্যৱস্থাপনাক এক প্ৰসাৰিত লক্ষ্য হিচাপে গণ্য কৰা।' বন উন্নয়ন আৰু জীৱিকা উন্নয়ন উভয় লক্ষ্যকে এই প্ৰকল্পত সামৰি লোৱা হৈছে। |
| **ঢেকীয়াজান ৰাজালি জে এফ এম চিৰ বাবে ক্ষুদ্ৰ পৰিকল্পনা** | অসমৰ তিনিচুকীয়া জিলাত অৱস্থিত ঢেকীয়াজান ৰাজালি জে এফ এম চিৰ বাবে তৈয়াৰ কৰা ক্ষুদ্ৰ পৰিকল্পনা এই নথিত প্ৰকাশ কৰা হৈছে। এই জে এফ এম চি ডিগবৈ বন সংমণ্ডলৰ পূৰ্বাঞ্চলীয় অসম চক্ৰৰ অধীনত পৰে। সম্প্ৰদায়ৰ বিৱৰণ পৰৱৰ্তী অধ্যায়ত উল্লেখ কৰা হ'ল। |

| | |
|---|---|
| | এই ক্ষুদ্ৰ পৰিকল্পনা গাঁওখনত বাস কৰা সম্প্ৰদায়সমূহৰ পুৰুষ আৰু মহিলাসকলৰ সদস্যৰ অংশগ্ৰহণৰ ভিত্তিত প্ৰস্তুত কৰা হৈছে। ২০১৭ চনৰ এপ্ৰিল মাহত ইণ্ডিয়ান ইনষ্টিটিউট অব্ এণ্টাৰপ্ৰিনিঅ'ৰশ্বিপ, গুৱাহাটীৰ বিষয়ববীয়া আৰু সম্প্ৰদায়টোৱে গ্ৰহণ কৰা অংশগ্ৰহণমূলক গ্ৰাম্য পৰিমাপ (পি আৰ এ)ৰ জৰিয়তে এই নথি প্ৰস্তুত কৰা হৈছে। প্ৰকল্প নিৰ্দেশনা অনুসৰি আই আই ই-এ এই ক্ষুদ্ৰ পৰিকল্পনা সংযোজিত কৰিছে। ঢেকীয়াজান ৰাজালিৰ বাবে ক্ষুদ্ৰ পৰিকল্পনাৰ নথি গ্ৰহণ কৰাৰ বাবে আলোচনাত চূড়ান্ত কৰা হয়। |

## ২। গাঁৱৰ আৰ্থ-সামাজিক বিৱৰণ

| | |
|---|---|
| **অৱস্থিতি** | মুলক গাঁও, শাল গাঁও, নেপালী গাঁও, খ্ৰীষ্টান গাঁও আদিত বসবসা কৰা সম্প্ৰদায়ক লৈ ঢেকীয়াজান ৰাজালি জে এফ এম চি গঠন কৰা হৈছে। এই গাঁও ডিগবৈ বনসংমণ্ডলৰ অধীনস্থ ডিগবৈ বনাঞ্চলিকৰ সীমামূৰীয়া এলেকাত অৱস্থিত। জে এফ এম চিত সামৰি লোৱা এলেকাসমূহ অসমৰ তিনিচুকীয়া জিলাৰ মাৰ্ঘেৰিটা ৰাজহ চক্ৰৰ অন্তৰ্গত। |
| **মূল তথ্য** | জে এফ এম চিৰ মূল তথ্য তলত উল্লেখ কৰা হ'ল। |

**তালিকা-ক ঃ জে এফ এম চিৰ মূল তথ্য**

| | |
|---|---|
| **জে এফ এম চিৰ নাম** | ঢেকীয়াজাল ৰাজালি |
| **বসতিস্থান** | ঢেকীয়াজাল ৰাজালি |
| **ৰাজহ গাঁৱৰ নাম** | - |
| **গাঁও পঞ্চায়ত/ভি চি ডি চিৰ নাম** | গোলাই |
| **ৰাজহ চক্ৰৰ নাম** | মাৰ্ঘেৰিটা |
| **জিলা** | তিনিচুকীয়া |
| **বন সংমণ্ডল** | ডিগবৈ |
| **বন আঞ্চলিক** | ডিগবৈ |
| **বন লাট** | ৰাজা আলী |
| **গঠনৰ বছৰ** | ২০১৫-১৬ |
| **জে এফ এম চিৰ চাৰিসীমা** | তলত উল্লেখ কৰা ধৰণে ঃ<br>উত্তৰ ঃঢেকীয়াজাল ৰাজালি<br>দক্ষিণ ঃ ডিগবৈ তৈলক্ষেত্ৰ/ ডিগবৈ পাঙেৰী পথ<br>পশ্চিম ঃ ভীমপথাৰ বনাঞ্চল গাঁও<br>পূব ঃ আপাৰ দিহিং পূব ব্লক ৰাজালি বনাঞ্চল গাঁও |

**উৎস** ঃ জে এফ এম চি তথ্য আৰু ২০১৭ চনৰ ২৩ এপ্ৰিলত অনুষ্ঠিত পি আৰ এ অনুশীলনৰ সময়ত হোৱা আলোচনা।

অতিৰিক্ত বৰ্ণনা তথ্য-I (পৰিশিষ্ট-৬)ৰ তালিকা-১ত প্ৰদান কৰা হৈছে।

<table>
<tr>
<td>কাৰ্যকৰী আৰু সাধাৰণ সমিতিৰ সংক্ষিপ্ত বিৱৰণ</td>
<td>জে এফ এম চি-ৰ কাৰ্যনিৰ্বাহক সমিতি আৰু সাধাৰণ সভাৰ সংক্ষিপ্ত বিৱৰণ তলৰ তালিকাত দিয়া হ'ল।<br><br>তালিকা-খ ঃ কাৰ্যকৰী আৰু সাধাৰণ সমিতিৰ সংক্ষিপ্ত বিৱৰণ<br>
<table>
<tr><td>সভাপতিৰ নাম</td><td>দিগন্ত সোণোৱাল</td></tr>
<tr><td>সদস্য সচিবৰ নাম</td><td>পৰিণীতা সিং</td></tr>
<tr><td>কাৰ্যকৰী সমিতিৰ সদস্য সংখ্যা</td><td>পুৰুষ ঃ ৬<br>মহিলা ঃ ৪<br>মুঠ ঃ ১০</td></tr>
<tr><td>সাধাৰণ সমিতিৰ সদস্য সংখ্যা</td><td>৩০০ (প্ৰতিটো পৰিয়ালৰ মুৰব্বীক প্ৰতিনিধি হিচাপে ৰখা হৈছে)</td></tr>
</table>
উৎস ঃ জে এফ এম চিৰ তথ্য।</td>
</tr>
<tr>
<td>পৰিয়াল আৰু জনসংখ্যা গাঁথনি</td>
<td>গাঁওখনত বাস কৰা পৰিয়ালৰ সংখ্যা হৈছে ৩০০টা। ইয়াৰে ২৭০টা পৰিয়াল বি পি এল (দাৰিদ্ৰ সীমাৰেখাৰ তলৰ)। গাঁওখনৰ মুঠ জনসংখ্যা হৈছে ১৪৯০জন। ইয়াৰে ৮৫৫জন পুৰুষ আৰু ৬৩৫গৰাকী মহিলা। গাঁৱৰ অধিকাংশ লোক অনুসূচিত জনজাতি আৰু মুষ্টিমেয় কিছুসংখ্যক অ বি চি সম্প্ৰদায়ৰ।<br><br>উপৰ্যুক্ত বিষয়ত বিতং তথ্য নথি ঃ ১ ৰ তালিকা-২ দ্ৰষ্টব্য।<br>ইয়াৰ পৰা জনা যায় যে ঃ<br>১) প্ৰতিটো পৰিয়ালৰ গড় সদস্য সংখ্যা হৈছে ৪.৯৬জন<br>২) গাঁওখনত লিংগ অনুপাত হৈছে প্ৰতি ১০০০জন পুৰুষৰ বিপৰীতে মহিলাৰ সংখ্যা ৭৪২গৰাকী।</td>
</tr>
<tr>
<td>শিক্ষা আৰু দক্ষতা বিকাশ</td>
<td>জনসংখ্যাৰ ৯৬ শতাংশৰো অধিক সাক্ষৰ। গাঁওখনৰ অধিকাংশ লোকে স্কুল পৰ্যায়ৰ শিক্ষা লাভ কৰিছে। আনহাতে তুলনামূলকভাৱে নগণ্য সংখ্যক পৰিয়ালৰ সদস্যইহে কলেজ আৰু বিশ্ববিদ্যালয় পৰ্যায়ৰ শিক্ষা গ্ৰহণ কৰিছে।<br><br>আনুষ্ঠানিক আৰু অনানুষ্ঠানিক— এই দুই ধৰণৰ জীৱিকা উন্নয়ন কাৰ্যসূচী গাঁওবাসীয়ে গ্ৰহণ কৰি আহিছে। জে এফ এম চি এলেকাত অনানুষ্ঠানিক দক্ষতা উন্নয়নৰ অৰ্থ হৈছে পৰম্পৰাগতভাৱে গ্ৰহণ কৰা দক্ষতা। লোকসকলৰ নিম্নোক্ত ক্ষেত্ৰসমূহত পৰম্পৰাগত দক্ষতা আছে ঃ<br>ক) পশুপালন<br>খ) বয়ন<br>গ) বাঁহ আৰু বেতৰ কাম<br>সমগ্ৰ দেশৰ লগতে ৰাজ্যখনতো আনুষ্ঠানিক দক্ষতা উন্নয়ন কাৰ্যসূচী প্ৰসাৰৰ বাবে চৰকাৰে সক্ৰিয় ভূমিকা পালন কৰি আহিছে। এনে কোনো আঁচনিৰ পৰা এতিয়ালৈকে গাঁওবাসী উপকৃত হোৱা নাই। কিয়নো গাঁওখন অথবা ইয়াৰ পাৰ্শ্বৱৰ্তী অঞ্চলসমূহত তেনে কোনো আঁচনি ৰূপায়ণ কৰা হোৱা নাই।</td>
</tr>
</table>

| | |
|---|---|
| **মাটি** | প্ৰকল্প গ্ৰহণ কৰা অঞ্চলৰ ভূমিৰ প্ৰকাৰ এনেধৰণৰ ঃ<br>পাতল হালধীয়া আৰু গাড় ধূসৰ বৰণৰ বোকা মাটিৰে এলেকাটো গঠিত হৈছে। এই ধৰণৰ মাটিৰ স্তৰৰ গভীৰতা প্ৰায় ২.৫ মিটাৰ। তাৰ তলতে আছে প্ৰায় ১৬ মিটাৰ গভীৰলৈকে বালিৰ স্তৰ (কোৱাৰ্জ) আৰু তাৰ তলত ধূসৰ বৰণৰ কঠিন আৰু এটাযুক্ত বোকা মাটিৰ স্তৰ। এই মাটিত সত'তে অল্পৰ ৰাসায়নিক পৰিৱৰ্তন লক্ষণীয়। মাটিৰ ঘাই ঘাই প্ৰকাৰ হৈছে— (১) নতুন পলসুৱা মাটি, (২) পুৰণি পলসুৱা মাটি, (৩) পাহাৰৰ পাদদেশৰ মাটি আৰু (৪) ৰঙা পলস আৰু বালি মিশ্ৰিত মাটি। জানিব পৰা মতে এই মাটি সাৰুৱা আৰু বিভিন্ন ধৰণৰ শস্য আৰু উদ্ভিদ যেনে ঃ মূলা, কঙালাউ, বেঙেনা, আলু আদি বিভিন্ন পাচলি বাবে উপযুক্ত। |
| **পানী** | ঢেকীয়াজান ৰাজালিৰ গাঁওবোৰত মুষ্টিমেয় কেইবাটাও উৎসৰ পৰা পানী সংগ্ৰহ কৰা হয়। এই এলেকাৰ মাজেৰে পানীপুংজান নামৰ এটা জুৰিও বৈ গৈছে। |
| **জলবায়ু ঃ<br>উষ্ণতা আৰু বৰষুণ** | গ্ৰীষ্মকালত সৰ্বাধিক গড় তাপমাত্ৰা ৩৪° ছেলচিয়াছ হয়গৈ। আনহাতে শীতকালত সৰ্বোচ্চ তাপমাত্ৰা হয়গৈ ৮-১২° চেলচিয়াছ।<br>জানুৱাৰী মাহৰ এই তাপমাত্ৰাই হৈছে সমগ্ৰ বছৰটোৰ ভিতৰত সৰ্বনিম্ন গড় তাপমাত্ৰা।<br>বৰষুণৰ গড় পৰিমাণ হৈছে প্ৰায় ২৪৯৯ মিলিমিটাৰ। বাৰিষাৰ ঋতুতেই (জুন-আগষ্ট) সাধাৰণতে প্ৰায় দুই তৃতীয়াংশ বৰষুণ হয়। গাঁওখনত বাৰিষাৰ সময়ছোৱাত আৰ্দ্ৰতাৰ হাৰ উচ্চ (৯০ শতাংশৰো অধিক) আৰু জাৰকালি আৰ্দ্ৰতাৰ হাৰ নিম্ন (৩০ শতাংশৰ তলত)। |
| **বন আৰু জৈৱ-বৈচিত্ৰ্য** | স্থানীয় বনাঞ্চলসমূহক সাধাৰণভাৱে পলসুৱা সমতলীয়া শাল বনাঞ্চল আৰু ভূখণ্ড শাল বনাঞ্চল হিচাপে শ্ৰেণীভুক্ত কৰা হৈছে। ঘাই ঘাই বৃক্ষ প্ৰজাতিসমূহ হৈছে হলং, তিতাচপা, হলখ, আজাৰ, উৰিয়াম, বনবগৰি, খোকন, নাহৰ আদি। বনাঞ্চলত কাঠ ভিন্ন বনজ উৎপাদন হিচাপে বিভিন্ন প্ৰজাতিৰ উদ্ভিদ যেনে শাক-পাচলি, ঢেঁকীয়া, ভেষজ উদ্ভিদ, বাঁহ, খেৰ আৰু পশুখাদ্য আদিও উৎপাদন কৰিব পাৰি। এই সন্দৰ্ভত অতিৰিক্ত তথ্য 'বন উন্নয়ন পৰিকল্পনা'ত দিয়া হৈছে। |
| **ভূমি ব্যৱহাৰৰ ধৰণ** | গাঁৱৰ ভূমি ব্যৱহাৰৰ ধৰণ পৰিশিষ্ট-২ত বহলাই উল্লেখ কৰা হৈছে। এই পৰিশিষ্ট অনুসৰি পৰ্যবেক্ষণ কৰা কিছু গুৰুত্বপূৰ্ণ তথ্য নিম্নোল্লিখিত ধৰণৰ ঃ<br>ধান পথাৰ ঃ ৮০ শতাংশ<br>পথ ঃ ১.৪৩ শতাংশ<br>বসতি স্থান ঃ ১৮.৩১ শতাংশ |
| **ভূমি মালিকানাৰ ধৰণ** | প্ৰতিটো পৰিয়ালৰ ভূমি মালিকানাৰ ধৰণ **তথ্য-(I)ৰ তালিকা-৩ত** উল্লেখ কৰা হৈছে। এই তালিকাৰ পৰা তলৰ তথ্যসমূহ পোৱা যায় ঃ<br>■ ১০০ শতাংশ পৰিয়াল উপান্ত কৃষক। তেওঁলোকৰ প্ৰতিটো পৰিয়ালৰ মাটিৰ পৰিমাণ দুই হেক্টৰতকৈও কম। |
| **পশুধন** | গাঁওখনত মুঠ পশুধনৰ সংখ্যা হৈছে ১,৪০৫টা। পৰিয়ালসমূহে প্ৰতিপালন কৰা পশুধনৰ প্ৰকাৰ হৈছে এনেধৰণৰ ঃ<br>গাই ঃ ৩৬০টা<br>ছাগলী ঃ ২৩০টা<br>বলধ ঃ ১৭০টা |

| | |
|---|---|
| | **নথি-(I)ৰ তালিকা-৪ত** গাঁৱৰ আন্তঃগাঁথনিৰ বৰ্তমান অৱস্থা দাঙি ধৰা হৈছে। |
| **গাঁৱৰ আন্তঃগাঁথনি আৰু যোগাযোগ ব্যৱস্থা** | যিকোনো জনগোষ্ঠীতে সাধাৰণ আন্তঃগাঁথনিৰ উপলব্ধতাই জীৱিকাৰ নিৰ্বাহক্ষম উপায় উন্নয়নত সহায় কৰে। গাঁওখনত বৰ্তমানৰ আন্তঃগাঁথনিৰ অৱস্থা সন্তোষজনক নহয়। **নথি-(I)ৰ তালিকা-৫ত** গাঁৱৰ আন্তঃগাঁথনিৰ বৰ্তমান অৱস্থা দাঙি ধৰা হৈছে।<br>ওপৰৰ তালিকাৰ পৰা গাঁওখনৰ বৰ্তমানৰ আন্তঃগাঁথনি সন্দৰ্ভত তলৰ তথ্যসমূহ লাভ কৰিব পাৰি ঃ<br>**বস্তুগত আন্তঃগাঁথনি ঃ** জনসাধাৰণৰ পদপথ, বিদ্যু, পানী যোগান, মোবাইল নেটৱৰ্ক আদি মৌলিক বস্তুগত আন্তঃগাঁথনিৰ পৰা বঞ্চিত।<br>**শিক্ষা আৰু স্বাস্থ্য সেৱা ঃ** এই গাঁওখনৰ শিক্ষা ব্যৱস্থা সন্তোষজনক নহয়। শিক্ষাৰ ব্যৱস্থা অতি নগণ্য। বৰ্তমান জে এফ এম চি এলেকাত মাত্ৰ এখন প্ৰাথমিক বিদ্যালয় আছে। চৰকাৰী পৰিবহণ পৰ্যাপ্ত যদিও তাক যথেষ্ট ভাল বুলি ক'ব নোৱাৰি। সম্প্ৰদায়ৰ চাইকেল আৰু মটৰ চাইকেলেৰেই অহাযোৰা কৰে।<br>**চৰকাৰী কাৰ্যালয় ঃ** চৰকাৰী কাৰ্যালয়সমূহ (যেনে ঃ আৰক্ষী থানা, গাঁও পঞ্চায়ত কাৰ্যালয়, ৰাজহ কাৰ্যালয়, বন আঞ্চলিক কাৰ্যালয় আদি) যথেষ্ট দূৰত নহয় যদিও বসতি এলেকা বা নিকটৱৰ্তী এলেকাৰ পৰা নিয়মিত চৰকাৰী পৰিবহণ নথকাত গাঁওবাসীয়ে সহজতে সেইবোৰ কাৰ্যায়লৈ যাব নোৱাৰে।<br>**বিত্তীয় অন্তৰ্ভুক্তি ঃ** বেংক আদি বিত্তীয় প্ৰতিষ্ঠান গাঁৱৰ বসতি এলেকাৰ পৰা উল্লেখযোগ্য দূৰত্বত নহয়। |
| **কৃষিজাত শস্য** | গাঁৱত উৎপাদিত কৃষিজাত শস্যৰ সবিশেষ **নথি-(I)ৰ তালিকা-৬ত** বিশদভাৱে উল্লেখ কৰা হৈছে।<br>উক্ত তালিকাৰ পৰা তলৰ তথ্যসমূহ পোৱা যায় ঃ<br>ক) খাৰিফ শস্য (বৰ্ষাকালীন) ঃ ধান, শালি<br>খ) ৰবি শস্য (শীতকালীন) ঃ ঋতুকালীন পাচলি— আলু, সৰিয়হ, বেঙেনা, মূলা, ৰঙালাউ আদি। |
| **শস্য উৎপাদনৰ বিতং বিৱৰণ** | এই আটাইবোৰ শস্যৰ উৎপাদন বৰষুণৰ ওপৰত নিৰ্ভৰশীল।<br>গাঁওখনত শস্যৰ উৎপাদন আৰু উৎপাদনৰ পৰিমাণৰ সবিশেষ **নথি-(I)ৰ তালিকা-৭ত** উল্লেখ কৰা হৈছে।<br>সৰ্বাধিক পৰিয়াল শস্য উৎপাদনত জড়িত। শস্যৰ উৎপাদন আৰু উৎপাদিত শস্যৰ পৰিমাণ তলত উল্লেখ কৰা হ'ল ঃ<br>এই শস্যসমূহৰ উৎপাদন আৰু উৎপাদনৰ হাৰ তলত উল্লেখ কৰা ধৰণৰ ঃ<br>ক) ধান ঃ ২৫ হেক্টৰ<br>খ) শাক-পাচলি ঃ ১০ হেক্টৰ<br>গ) চাহপাত ঃ ৩০ হেক্টৰ |

| | |
|---|---|
| **পশুখাদ্যৰ পৰ্যাপ্ততা** | গাঁওখনত পশুখাদ্যৰ পৰ্যাপ্ততা **নথি-(I)ৰ তালিকা-৮ত** সন্নিৰিষ্ট কৰা হৈছে। জে এফ এম চিখনৰ পশুখাদ্যৰ মূল উৎসসমূহ হৈছে ঃ<br>ক) ধানৰ অৱশিষ্টাংশ<br>খ) পৰিয়ালৰ ৰন্ধা বস্তুৰ পেলনীয়া অংশ<br>গ) পাচলিৰ উদ্বৃত্ত<br>ঘ) চৰণীয়া পথাৰ<br>ঙ) বনাঞ্চল |
| **বজাৰ** | গাঁৰৰ পৰা বিভিন্ন বজাৰৰ অৱস্থান আৰু দূৰত্ব **নথি-(I)ৰ তালিকা-৯ত** উল্লেখ কৰা হৈছে। সম্প্ৰদায়ৰ লোকসকলে ক্ৰয়-বিক্ৰয়ৰ বাবে অহা-যোৱা কৰা বজাৰসমূহ তলত উল্লেখ কৰা হ'ল ঃ<br>ক) গেলামাল/সুলভ মূল্যৰ দোকান ঃ মুলিয়াবাৰী, বাপাবুং - ৬-৭ কিলোমিটাৰ<br>খ) সাপ্তাহিক/অৰ্ধ-সাপ্তাহিক বজাৰ ঃ ৪ কিলোমিটাৰ নিলগত পাঙেৰীত<br>গ) প্ৰধান বজাৰ ঃ ডিগবৈ বজাৰ |
| **জলসম্পদ** | **নথি-(I)ৰ তালিকা-১০ত** জল সম্পদসমূহৰ বিষয়ে সন্নিৰিষ্ট কৰা হৈছে। পানী উপলব্ধ হোৱা প্ৰধান জল সম্পদসমূহ এনেধৰণৰ ঃ<br>ক) নদীৰ পানী ঃ (পানীৰ পৰ্যাপ্ততা ঃ ঋতু অনুসৰি)<br>খ) টিউবৱেল ঃ (পানীৰ পৰ্যাপ্ততা ঃ গোটেই বছৰ জুৰি) |
| **শক্তিৰ ব্যৱহাৰ** | গাঁৰৰ শক্তিৰ ঘাই ঘাই উৎসসমূহ **নথি-(I)ৰ তালিকা-১১ত** উল্লেখ কৰা হৈছে।<br>ক) কাঠখৰি ঃ নিৰ্ভৰশীল পৰিয়াল ঃ ১৯৫টা, উৎস ঃ বনাঞ্চল ৰোপণ<br>খ) ৰন্ধন গেছ ঃ ১০৫টা |
| **আৰ্থ-সামাজিক অৱস্থা** | **সামাজিক গাঁথনি ঃ** গাঁওখনৰ বাসিন্দাসকল জনজাতি আৰু অজনজাতি সম্প্ৰদায়ৰ আৰু তেওঁলোক অন্যান্য পিছপৰা আৰু অনুসূচিত জাতিৰ। সমাজত গভীৰ সামাজিক বিভাজন নাই। মহিলাসকলৰ অৱস্থা সন্তোষজনক।<br>**অৰ্থনৈতিক অৱস্থা ঃ** গাঁওখনৰ বাসিন্দাসকলৰ অৰ্থনৈতিক স্থিতি সন্তোষজনক নহয়। মূল জীৱিকাৰ পথ হৈছে— চাহ বাগিচাৰ কাম আৰু ধানৰ খেতি। পৰিয়ালৰ বছৰি ন্যূনতম আয় ৫০,০০০ টকা আৰু সৰ্বাধিক আয় ৬০,০০০ টকা।<br>জীৱিকাৰ বাবে গাঁওখনৰ পৰা যুৱক আৰু অন্যান্যৰ ব্যাপক হাৰত বৰ্হিগমন হোৱা নাই। অতিৰিক্ত তথ্য পৰৱৰ্তী অধ্যায়ত দিয়া হৈছে। |
| **মানচিত্ৰ** | অংশগ্ৰহণমূলক গ্ৰামীণ মূল্যায়ণ অনুশীলনৰ (পি আৰ এ) ভিত্তিত প্ৰস্তুত কৰা নিম্নোক্ত মানচিত্ৰবোৰ পৰিশিষ্ট-I ত দিয়া হ'ল ঃ<br>* গাঁৰৰ মানচিত্ৰ<br>* গাঁৰৰ সামাজিক মানচিত্ৰ (পি আৰ এ অনুশীলনৰ সদস্যৰ নাম আৰু সবিশেষ তথ্য)<br>* গাঁৰৰ সম্পদ মানচিত্ৰ |

# ৩। জীৱিকাৰ সুযোগসমূহৰ বিশ্লেষণ

**পি আৰ এ অনুশীলন**

গুৱাহাটীৰ আই আই ই-ৰ দলে খালগাঁও ঢেকীয়াজান গাঁৱত পি আৰ এ অনুশীলন সম্পন্ন কৰে। ইয়াৰ বিৱৰণ তলত উল্লেখ কৰা হ'ল ঃ

| | |
|---|---|
| তাৰিখ | ঃ ২৩ এপ্ৰিল, ২০১৭ |
| স্থান | ঃ প্ৰাথমিক বিদ্যালয়, ঢেকীয়াজান ৰাজালি গাঁও |
| উপস্থিত লোকৰ সংখ্যা | ঃ ৩০ |
| উপস্থিত থাকে | ঃ জে এফ এম চিৰ বিষয়ববীয়াসকল, গাঁওবুঢ়া, সম্প্ৰদায়ৰ সদস্যসকল, বন বিভাগৰ কৰ্মচাৰী আদি। |

**পি আৰ এ-ৰ উদ্দেশ্য**

বৰ্তমান পৰিয়ালসমূহৰ অৱস্থা সম্পৰ্কে অধ্যয়ন আৰু সম্প্ৰদায়ৰ জীৱিকা উন্নয়ন আৰু বনাঞ্চল উন্নয়নৰ কাৰণে অন্যান্য প্ৰাথমিক তথ্য সংগ্ৰহ কৰাই আছিল এই অনুশীলনৰ উদ্দেশ্য।

**পি আৰ এ-ৰ ফলাফল আৰু ব্যৱহাৰ কৰা আহিলা**

বিভিন্ন আহিলা ব্যৱহাৰ কৰা হৈছে আৰু ফলাফল সংগ্ৰহ কৰা হৈছে। এইবোৰ হৈছে ঃ
সামাজিক মানচিত্ৰায়ণ (মেপিং)
সম্পদৰ স্থানাংক নিৰ্ধাৰণ (ৰেংকিং)
সময়কালীন সমীক্ষা
জীৱিকাৰ ঋতুকালীনতা
ভেন ডায়েগ্ৰাম
পৰিশিষ্ট- III ওপৰৰ বিষয়বোৰৰ সম্পৰ্কে বিতং তথ্য দিয়া হৈছে।

**স্থানাংক**

নিম্নোক্ত বিষয়ত স্থানাংক (ৰেংকিং) নিৰ্ধাৰণ কৰা হৈছে ঃ

- জীৱিকা আৰু দক্ষতা উন্নয়ন
- প্ৰাৰম্ভিক কাম-কাজ (ই পি এ)

ওপৰৰ বিষয়বোৰ পৰিশিষ্ট-III-ত উল্লেখ কৰা হৈছে। এইবোৰ বিষয় এনে ধৰণৰ ঃ
জীৱিকা আৰু দক্ষতা উন্নয়নৰ স্থানাংক
১। কৃষি
২। বয়ন / আধুনিক সঁজুলিৰে হস্তভাঁত
৩। চিলাই কাম
৪। গাড়ী চলোৱা
৫। জ্বালাই কাম (ৱেল্ডিং)

**ই পি এ-ৰ স্থানাংক**

| | স্থানাংক অনুসৰি গাঁৱৰ ই পি এ | বিতং বিৱৰণ (পৰিশিষ্ট- III-ত অতিৰিক্ত তথ্য দিয়া হৈছে) | ধনৰ সম্ভাব্য উৎস / বিভাগ |
|---|---|---|---|
| ১। | ৰাজহুৱা সভাঘৰ | অনাময় ব্যৱস্থা আৰু আন্তঃগাঁথনি ৰাজহুৱা সভাঘৰ নিৰ্মাণ | এ পি এফ বি চি |
| ২। | খোৱা পানী | ৪খন গাঁৱত বি পি এল পৰিয়ালৰ বাবে কমেও ১০০টা টিউবৱেল | এ পি এফ বি চি/ পি এইচ ই ডি |
| ৩। | চিলিণ্ডাৰসহ এল পি জি সংযোগ | ৪খন গাঁৱত বি পি এল পৰিয়ালৰ বাবে কমেও ১০০টা এল পি জি সংযোগ | এ পি এফ বি চি/ উজ্জ্বলা |

| | | | |
|---|---|---|---|
| ৪। | সৌৰ বিদ্যুৎ সংযোগ | ৪খন গাঁৱৰ প্ৰধান প্ৰধান ঠাইত কমেও ৫০টা সৌৰ লাইট স্থাপন | এ পি এফ বি চি/ এম এম আৰ ই / নাৱাৰ্ড |
| ৫। | বিদ্যালয়ৰ পৰিসীমা | ঢেকীয়াজান মাধৱদেৱ প্ৰাথমিক বিদ্যালয়া মূলকগাঁও মাধৱদেৱ প্ৰাথমিক বিদ্যালয়ৰ পৰিসীমাত প্ৰাচীৰ নিৰ্মাণ | এছ এছ এ |
| ৬। | তম্বুঘৰ | চকী আৰু বাচনবৰ্তনসহ এটা তম্বুঘৰ | এ পি এফ বি চি |
| ৭।<br><br><br>৮। | পৰ্যবেক্ষণ টাৱাৰ<br><br><br>বিদ্যালয়ৰ পৰিসীমা | জে এফ এম চিৰ পৰিসীমাৰ ভিতৰত কমেও চাৰিটা পৰ্যবেক্ষণ টাৱাৰ স্থাপন কৰিব লাগিব<br>ঢেকীয়াজান মাধৱদেৱ প্ৰাথমিক বিদ্যালয়া মূলকগাঁও মাধৱদেৱ প্ৰাথমিক বিদ্যালয়ৰ পৰিসীমাত প্ৰাচীৰ নিৰ্মাণ | এ পি এফ বি চি<br><br><br>এছ এছ এ |

| | |
|---|---|
| **জীৱিকা আৰু দক্ষতা উন্নয়নৰ স্থানাংক** | ১) চাহ বাগিচাৰ কামৰ মজুৰি<br>২) বাঁহ আৰু বেতৰ কাম<br>৩) কৃষি কাৰ্য ( ফাৰ্মিং)<br>৪) হস্তভাঁত<br>৫) চিলাই কাম |
| **জীৱিকাৰ সুযোগ-সুবিধা** | চিহ্নিত কৰা জীৱিকাৰ সুযোগ-সুবিধাবোৰ তলত উল্লেখ কৰা হ'ল—<br>* কৃষি আৰু উদ্যানশস্য<br>* পশুধন<br>* কাঠভিন্ন বনজ উৎপাদন<br>* দক্ষতা উন্নয়ন<br>* ঋণৰ ব্যৱস্থা<br>ওপৰত উল্লেখিত বিষয়বোৰ সম্পৰ্কে অধিক আলোচনা তলত উল্লেখ কৰা হৈছে। |
| **কৃষি** | কৃষি আৰু উদ্যান শস্যৰ ক্ষেত্ৰত সুযোগ সম্পৰ্কে **নথি-(II)**ৰ **তালিকা-১২**ত পাব।<br>**প্ৰধান প্ৰধান বাধাবোৰ—**<br>ক) কম উৎপাদন<br>খ) মজুতকৰণ আৰু প্ৰক্ৰিয়াকৰণ<br>গ) বিপণন<br>**সুযোগসমূহ ঃ**<br>ক) বাৰ্ষিক শস্য উৎপাদন চক্ৰৰ বৃদ্ধি<br>খ) ইউনিট সংগ্ৰহ, পেকেজিং<br>গ) বিপণনযোগ্য উৎপাদিত সামগ্ৰীৰ বাবে প্ৰাতিষ্ঠানিক সংযোগ<br>**পৰামৰ্শ দিয়া কৰ্মসূচী হৈছে ঃ**<br>* কৃষি দক্ষতা উন্নয়ন কৰ্মসূচী<br>* কীটনাশক, পতংগনাশক, সংকৰ প্ৰজাতিৰ শস্য খেতি আদিৰ বাবে প্ৰশিক্ষণ<br>* জলসিঞ্চন<br>* ঋণৰ ব্যৱস্থা |

| | |
|---|---|
| **পশুধন** | পশুধন পালন-প্ৰজননৰ সুযোগ সম্পৰ্কে অধিক তথ্য **তালিকা-১৩**ত প্ৰদান কৰা হৈছে।<br>**প্ৰধান বাধাবোৰ হৈছে ঃ**<br>ক) শোচনীয় বিত্তীয় অৱস্থা আৰু কম যোগানৰ কাৰণে বজাৰৰ পৰা পশুখাদ্য ক্ৰয় কৰাৰ অক্ষমতা।<br>খ) গছ-গছনিৰ পাত আৰু শস্যৰ অৱশিষ্টাংশ কেৱল ৩-৬ মাহৰ বাবেহে উপলব্ধ। গোটেই বছৰৰ বাবে সেউজ পশুখাদ্য পৰ্যাপ্ত নহয়।<br>গ) কোনো পশু চিকিৎসা কেন্দ্ৰ নাই।<br>ঘ) যথোপযুক্তভাৱে পশুপালন সম্পৰ্কে জ্ঞানৰ অভাৱ।<br>**সুযোগসমূহ ঃ**<br>ক) অধিক উৎপাদনশীল প্ৰজাতিৰ গাহৰি পালন<br>খ) অধিক উৎপাদনশীল হাঁহ-কুকুৰা পালন<br>**পৰামৰ্শসমূহ ঃ**<br>ক) অধিক উৎপাদনশীল প্ৰজাতিৰ গাহৰি পালন<br>খ) অধিক উৎপাদনশল প্ৰজাতিৰ কুকুৰা পালন। |
| **কাঠ ভিন্ন বনজ উৎপাদন (এন টি এফ পি)** | এন টি এফ পি-ৰ সুযোগ সম্পৰ্কীয় তথ্য **নথি-(II)ৰ তালিকা-১৪**ত দিয়া হৈছে।<br>**প্ৰধান বাধাবোৰ হৈছে ঃ**<br>ক) এন ডব্লিউ এফ পিৰ কম উপলব্ধতা<br>খ) কাৰিকৰী জ্ঞানৰ অভাৱ<br>গ) প্ৰক্ৰিয়াকৰণ ইউনিট নাই<br>**সুযোগসমূহ ঃ**<br>ক) সাৰুৱা পতিত মাটিৰ পৰ্যাপ্ততা<br>খ) সংগ্ৰহৰ জৰিয়তে জীৱিকাৰ সৃষ্টি<br>**পৰামৰ্শ দিয়া কৰ্মসূচীসমূহ ঃ**<br>ক) খাদ্য উদ্ভিদ, পশুখাদ্য আদিৰ ৰোপণ<br>খ) ভেষজ উদ্ভিদ আৰু সুগন্ধী উদ্ভিদ<br>গ) বনৌষধি উদ্ভিদ |
| **বিশেষীকৃত দক্ষতা** | দক্ষতা উন্নয়ন আৰু ইয়াৰ সুযোগ সম্পৰ্কীয় তথ্য **নথি-(II)ৰ তালিকা-১৫**ত দিয়া হৈছে।<br>**প্ৰধান বাধাবোৰ হৈছে ঃ**<br>ক) বিবিধ প্ৰকাৰ উৎপাদনৰ অভাৱ<br>খ) উৎপাদিত সামগ্ৰীৰ গুণগত মানৰ গৱেষণাৰ অভাৱ<br>গ) টি কিউ এম কলা কৌশলৰ অভাৱ<br>**সুযোগসমূহ ঃ**<br>ক) ভাল যোগাযোগ ব্যৱস্থা প্ৰদান<br>খ) দক্ষতাসম্পন্ন ব্যক্তিক প্ৰশিক্ষণ<br>গ) চৰকাৰৰ পৰা আৰ্থিক সাহায্য<br>**পৰামৰ্শ দিয়া কৰ্মসূচীসমূহ ঃ**<br>ক) আধুনিক যন্ত্ৰপাতি, সা-সঁজুলিৰ ব্যৱহাৰ সম্পৰ্কে প্ৰশিক্ষণ<br>খ) গাঁওবাসীক আধুনিক প্ৰযুক্তি প্ৰদান |

| | |
|---|---|
| | গ) দক্ষতাৰ উন্নতকৰণ আৰু নতুন উৎপাদন সামগ্ৰীৰ বিকাশ আৰু বিবিধ প্ৰকাৰৰ উৎপাদন সম্পৰ্কে প্ৰশিক্ষণ<br>ঘ) কেঁচামালৰ ভৰাল স্থাপন<br>ঙ) প্ৰাতিষ্ঠানিক ক্ৰেতাৰ সৈতে উৎপাদিত সামগ্ৰী বৃহৎ পৰিমাণে ক্ৰয়ৰ ব্যৱস্থা প্ৰদান। |
| **ঋণৰ সুবিধা** | এই সন্দৰ্ভত **নথি-(II)**ৰ **তালিকা-১৬**ত আলোচনা কৰা হৈছে।<br>**প্ৰধান বাধাসমূহ আৰু ইয়াৰ কাৰণবোৰ ঃ**<br>ক) বিত্তীয় অন্তৰ্ভুক্তি<br>খ) অসংগঠিত ঋণদাতাসকলৰ প্ৰাধান্য<br>গ) ঋণ পৰ্যালোচনাৰ অভাৱ<br>**সুযোগসমূহ ঃ**<br>ক) আধুনিক বিত্তীয় প্ৰতিষ্ঠান স্থাপন<br>খ) পৰ্যাপ্ত সজাগতা<br>**পৰামৰ্শ দিয়া কৰ্মসূচীসমূহ ঃ**<br>ক) নিকটৱৰ্তী এলেকাত আধুনিক বিত্তীয় প্ৰতিষ্ঠান স্থাপন<br>খ) বিত্তীয় অন্তৰ্ভুক্তিৰ উদ্যোগ গ্ৰহণ |
| **কৌশলগত হস্তক্ষেপ** | ওপৰত পৰামৰ্শ হিচাপে আগবঢ়োৱা কৰ্মসূচীসমূহৰ ভিত্তিত নিম্নোক্ত বিষয়সমূহক জীৱিকা উন্নয়ন পৰিকল্পনাৰ বাবে কৌশলগত হস্তক্ষেপ হিচাপে গণ্য কৰিব পাৰি ঃ<br>**১) কৃষি আৰু উদ্যানশস্য ঃ** ট্ৰেক্টৰ চলোৱাৰ প্ৰশিক্ষণ, কৃষি দক্ষতা উন্নয়ন কৰ্মসূচী, কীটনাশক, পতংগনাশক, সংকৰ প্ৰজাতিৰ শস্যৰ খেতি সম্পৰ্কে প্ৰশিক্ষণ।<br>**২) পশুধন ঃ** গাহৰি পালন, হাঁহ-কুকুৰা পালন<br>**৩) এন ডব্লিউ এফ পি ঃ** খাদ্য উদ্ভিদ, ভেষজ উদ্ভিদ আদিৰ খেতি।<br>**৪) দক্ষতা উন্নয়ন ঃ** বয়ন, চিলাই আৰু ইলেক্টিচিয়ান।<br>**৫) ঋণৰ ব্যৱস্থা ঃ** নিকটৱৰ্তী এলেকাত আধুনিক বিত্তীয় প্ৰতিষ্ঠান স্থাপন। |

## ৪। জীৱিকা উন্নয়ন পৰিকল্পনা

| | |
|---|---|
| **উপাৰ্জন বৃদ্ধিৰ কাম-কাজ** | গাঁৱত পৰিকল্পনা কৰা উপাৰ্জন বৃদ্ধিৰ প্ৰধান কাম-কাজবোৰ হৈছে ঃ<br>**কৃষিখণ্ড ঃ**<br>১। হাঁহ-কুকুৰা আৰু গাহৰি পালন<br>২। কৃষি<br>**কৃষি বহিৰ্ভূত খণ্ড ঃ**<br>১। হস্ততাঁত / বয়ন<br>২। গধুৰ মটৰগাড়ী চলোৱা<br>৩। জ্বালাই কাম (ৱেল্ডিং)<br>**উৎস ঃ নথি-৪ৰ তালিকা ৩২** |

| | |
|---|---|
| **আত্মসহায়ক গোটৰ কাম-কাজ** | গাঁওখনৰ আত্মসহায়ক গোটবোৰে তলৰ কৰ্মসূচী সম্পৰ্কে পৰিকল্পনা কৰিব পাৰে ঃ<br>১। উদ্যমিতা বৃদ্ধিৰ বাবে সজাগতা সৃষ্টি<br>২। যুটীয়া দায়বদ্ধতা গোট (জে এল জি) গঠন আৰু সংগঠিতকৰণ<br>৩। সমূহীয়াভাৱে জীৱিকাৰ কাম-কাজত গাঁওবাসীক চামিলকৰণ<br>**উৎস ঃ নথি-৪ৰ তালিকা ৩৩** |
| **শিক্ষামূলক ভ্ৰমণ** | তলত উল্লেখ কৰা মতে শিক্ষামূলক ভ্ৰমণৰ পৰিকল্পনা কৰা হৈছে।<br>অসমৰ বাহিৰত সফল জে এফ এম চিলৈ কমেও দুটা শিক্ষামূলক ভ্ৰমণ<br>**উৎস ঃ নথি-৪ৰ তালিকা ৩৪ত** |
| **কৰ্ম আঁচনিৰ সাৰাংশ** | পৰৱৰ্তী পৃষ্ঠাত দিয়া হৈছে। |
| **সম্পৃক্তকৰণ** | ভাৰত চৰকাৰৰ তলৰ আঁচনিসমূহৰ সৈতে পৰিকল্পনা কৰা কাৰ্যব্যৱস্থাৰ উদ্যোগসমূহক সম্পৃক্ত কৰিব পাৰি ঃ<br>ক) ৰাষ্ট্ৰীয় গ্ৰামীণ নিয়োগ নিশ্চিত আঁচনি— গ্ৰামীণ নিয়োগৰ বাবে<br>খ) ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনা— কৃষি আৰু কৃষি-সংশ্লিষ্ট কাম-কাজৰ উন্নয়নৰ বাবে।<br>গ) ৰাষ্ট্ৰীয় কৃষি সিঞ্চন যোজনা — জল বিভাজিকা উন্নয়নসহ জলসিঞ্চনৰ বাবে।<br>ঘ) ৰাষ্ট্ৰীয় গ্ৰামীণ জীৱিকা মিছন।<br>ঙ) দক্ষতা উন্নয়ন কৰ্মসূচী।<br>চ) শিক্ষা, ৰেচম, পশুচিকিৎসা, জলসিঞ্চন, উদ্যোগ আৰু মীন বিভাগৰ পৰা সহায়।<br>ছ) গ্ৰামোন্নয়ন আৰু জীৱিকাৰ বাবে উপযুক্ত বুলি বিবেচিত অন্যান্য আঁচনি।<br>ওপৰত উল্লেখিত সম্পৃক্তকৰণে বৰ্তমান পৰিকল্পনাসমূহক সফল কৰি তোলাৰ লগতে এই পৰিকল্পনাৰ কৰ্মসূচী ৰূপায়ণৰ পৰৱৰ্তী কালছোৱাতো সহায় কৰিব। |

## ৫। বন উন্নয়ন পৰিকল্পনা

ঢেকীয়াজান ৰাজালি জে এফ এম চিৰ ক্ষুদ্ৰ পৰিকল্পনাৰ অংশ হিচাপে গাঁও পৰ্যায়ত বিস্তৃত পি আৰ এ অনুশীলনৰ পিছত এই বন উন্নয়ন পৰিকল্পনা প্ৰস্তুত কৰা হৈছে। জৈৱ বৈচিত্ৰ্য সংৰক্ষণ আৰু ইয়াৰ মূল্য, পৰিৱেশতান্ত্ৰিক কাৰ্যকলাপ আৰু জে এফ এম চিক ন্যস্ত কৰা বনাঞ্চলৰ উৎপাদনমূলক সম্ভাৱনীয়তাক স্থিতিশীলতা প্ৰদান কৰাৰ লগতে সম্প্ৰদায়ৰ জীৱিকাৰ প্ৰয়োজনসমূহ আৰু উপভোগ স্থিতিশীল পদ্ধতিৰে পূৰণ কৰাই হৈছে এই পৰিকল্পনাৰ উদ্দেশ্য।

### ১। জে এফ এম চিৰ বনাঞ্চলৰ অৱস্থা

ঢেকীয়াজান ৰাজালি জে এফ এম চিৰ অন্তৰ্গত বনাঞ্চলসমূহৰ বাবে এই ক্ষুদ্ৰ পৰিকল্পনাত নিম্নোক্ত বিষয়সমূহ সম্পৰ্কে বিবেচনা কৰা হৈছে ঃ

ক) বন বিভাগৰ দ্বাৰা জে এফ এম চিৰ ওপৰত ন্যস্ত কৰা বনাঞ্চল এলেকা; আৰু

খ) ৰোপিত এলেকা/ৰোপণৰ বাবে নিৰ্ধাৰিত সম্প্ৰদায়ৰ ভূমি আৰু অধিসূচিত বনাঞ্চল এলেকাৰ বাহিৰৰ অন্যান্য ভূমি।

ওপৰত উল্লেখিত জে এফ এম চি বনাঞ্চলৰ দুয়োটা বিভাগৰ অৱস্থা সম্পৰ্কে তলত আলোচনা কৰা হ'ল ঃ

### ১.১। বনাঞ্চল আৰু তাৰ অৱস্থা

জে এফ এম চিৰ অন্তৰ্গত বনাঞ্চলৰ সম্পূৰ্ণ বিৱৰণ **প্ৰ'ফৰ্মা-৩** (বন উন্নয়ন পৰিকল্পনা) অন্তৰ্গত **তালিকা-৩.১**ত দিয়া হৈছে। এইবোৰক ক্ষুদ্ৰ পৰিকল্পনাত পৰিশিষ্ট হিচাপে সন্নিৱিষ্ট কৰা হৈছে। অন্যান্য ৰোপিত এলেকা (বা ৰোপণৰ বাবে নিৰ্ধাৰিত এলেকা) সম্পৰ্কে বিবেচনা কৰাৰ পিছত ঢেকীয়াজান ৰাজালি জে এফ এম চিৰ অৱস্থাৰ সাৰসংক্ষেপ তলত উল্লেখ কৰা হ'ল।

**তালিকা-১ ঃ ঢেকীয়াজান ৰাজালি জে এফ এম চিৰ বনাঞ্চলৰ অৱস্থা**

| **চিহ্নিতকৰণ** | **জে এফ এম চি বনাঞ্চলৰ আয়তন (হেক্টৰ)** | **গাঁৱৰ পৰা দূৰত্ব (কিঃ মিঃ)** | **বনাঞ্চলৰ অৱস্থা (ভাল-বনৰ ৪০% আৰু ততোধিক ক্ৰাউন ঘনত্ব বাকী- 'ক্ষতিগ্ৰস্ত')** | **সম্প্ৰদায়ৰ দ্বাৰা ব্যৱহাৰৰ ব্যৱধানতা (২-৩ মাহ/৩-৬ মাহ/৬ -৯ মাহ/৯ মাহৰ বেছি)** |
|---|---|---|---|---|
| **(ক) ন্যস্ত বনাঞ্চল** | | | | |
| আৰ এফ / পি এফ, নামঃ | ৩০০ হেক্টৰ | ৫০০ মিঃ | ভাল এলেকা ঃ ২৫০ হেক্টৰ<br>ক্ষতিগ্ৰস্ত এলেকা ঃ ৫০ হেক্টৰ | ৯ মাহৰো অধিক |
| **(খ) অন্যান্য ৰোপিত এলেকা (ইউ ডি আৰ এফ পূব ব্লক)** | ৫০ হেক্টৰ | ১০০ মিঃ | ভাল এলেকা ঃ ১০ হেক্টৰ<br>ক্ষতিগ্ৰস্ত এলেকা ঃ ১০ হেক্টৰ | শূন্য |
| **মুঠ** | ৩৫০ হেক্টৰ | | ভাল এলেকা ঃ ২৬০ হেক্টৰ<br>ক্ষতিগ্ৰস্ত এলেকা ঃ ৬০ হেক্টৰ | |

**উৎস ঃ প্ৰফৰ্মা-৩, তালিকা ঃ ৩.১** / বন বিভাগৰ বিষয়া আৰু স্থানীয় গাঁওবাসীৰ সৈতে হোৱা আলোচনা।

ইয়াৰ পৰা দেখা গ'ল যে ধেকীয়াজান ৰাজালি জে এফ এম চিৰ অধীনস্থ বনাঞ্চলৰ ভূমিৰ ৩৫০ হেক্টৰৰ ভিতৰত ২৬০হেক্টৰ 'ভাল' আৰু বাকী ৬০হেক্টৰ 'ক্ষতিগ্ৰস্ত'।

### ১.২। বনাঞ্চলৰ মাটিৰ প্ৰকাৰ ঃ

ঢেকীয়াজান ৰাজালি জে এফ এম চিৰ বনাঞ্চল পুৰণি পলসুৱা ভূমিত অৱস্থিত, (iii) আঠালেটীয়া আৰু (iv) ৰঙচুৱা আম্লিক মাটি। এই বনাঞ্চলৰ মাটিৰ কিছু বৈশিষ্ট্য তলত দিয়া তালিকাত উল্লেখ কৰা হ'ল।

**তালিকা- ২ ঃ ঢেকীয়াজান ৰাজালি জে এফ এম চিৰ বনাঞ্চলৰ মাটিৰ প্ৰকাৰ**

| স্থিতি মাপ | ন্যস্ত বনাঞ্চলৰ অৱস্থা | বৃক্ষৰোপিত অন্যান্য এলেকাৰ অৱস্থা |
|---|---|---|
| উৰ্বৰতাৰ পৰ্যায় | উচ্চ | উচ্চ |
| ভূমি ক্ষয়ৰ অৱস্থা | ভূমিক্ষয় হোৱা নাই | ভূমি ক্ষয় হোৱা নাই |
| উপস্থিতি ঃ | | |
| (ক) পলস | শূন্য | শূন্য |
| (খ) বোকামাটি | শূন্য | শূন্য |
| (গ) ন-উৰ্বৰ ভূমি | শূন্য | শূন্য |
| (ঘ) বালিচাহি | শূন্য | শূন্য |

**উৎস ঃ প্ৰফ'ৰ্মা-৩, 'খ। বনাঞ্চলৰ মাটিৰ প্ৰকাৰ'** / বন বিভাগৰ বিষয়া আৰু স্থানীয় গাঁওবাসীৰ সৈতে হোৱা আলোচনা।

ঢেকীয়াজান ৰাজালি জে এফ এম চিৰ বাবে; বনাঞ্চলৰ মাটিৰ প্ৰকাৰৰ উল্লেখযোগ্য বৈশিষ্ট্যসমূহৰ সাৰাংশ তলত দিয়া হ'ল ঃ

ক) ৰঙা মাটি— (সাৰুৱা চৰিত্ৰৰ)

খ) সাম্প্ৰতিক অতীতত ভূমিক্ষয় হোৱা নাই

গ) পলস, বোকামাটি, নতুন উৰ্বৰাকৃত ভূমি বা বালিচাহি নাই।

### ১.৩। বনাঞ্চলৰ বৰ্তমান উদ্ভিদসমূহ

ঢেকীয়াজান ৰাজালি জে এফ এম চিৰ বনাঞ্চলৰ বৰ্তমান উদ্ভিদসমূহৰ নাম তলত উল্লেখ কৰা হ'ল। মন কৰিবলগীয়া যে স্থানীয় বনাঞ্চলসমূহক উজনি অসম আৰ্দ্ৰ গ্ৰীষ্ম মণ্ডলীয় চিৰহৰিৎ বনাঞ্চল হিচাপে শ্ৰেণীভুক্ত কৰা হৈছে।

**তালিকা- ৩ ঃ ঢেকীয়াজান ৰাজালি জে এফ এম চিৰ বনাঞ্চলৰ বৰ্তমান উদ্ভিদসমূহ**

| প্ৰজাতি | স্থানীয় নাম | বৈজ্ঞানিক নাম |
|---|---|---|
| মুখ্য বন প্ৰজাতি | হোলোং | ডিপটেৰ'কাৰপাছমেক্ৰকাৰপাছ |
| | হলখ | টাৰ্মিনেলিয়া মাইৰিঅ'কাৰ্পা |
| | আজাৰ | লেগ্ৰোমিয়াস্পেচেচিঅ'চা |
| | অৰ্জুন | টাৰ্মিনেলিয়া অৰ্জুন |
| | ওদাল | ষ্টাৰকুলিয়াভিলোচা |
| | শিমলু | বম্বাক্সিবা |
| | বকুল | মিমুচোচেলেংগি |
| | শিৰিষ | আলবিজিয়ালেব্বেক |

| | | |
|---|---|---|
| সংঘভুক্ত | ধূনা | কানাৰিয়াম ৰেছিনিফেৰাম |
| | চাম | আৰ্টোকাৰপাচচাপাছা |
| | নাহৰ | মেচোফেৰকা |
| | ছাছি | এক্বেলাটিয়াগালেচা |
| গুল্ম | বেতী বাঁহ | বাম্বুচামাষ্টাৰচিড |
| | ভেকুৰি | চোলানামিণ্ডিকাম |
| | বজল বাঁহ | চেডুষ্টাচিয়ামপলিমৰফাম |
| | বৰমানিমুনী | চেণ্ট্ৰেলাচিয়াটিকা |
| | ইকৰা, বতা | ক্লেৰোষ্টাছিয়াফুচকা (চাইন ঃ চাকাৰাম) |
| ঔষধি উদ্ভিদ | শিলিখা | টাৰ্মিচনালিয়াচেবুলা ৰেইজ্ |
| | ভোমোৰা, বহেৰা | ষ্টাৰ্মিনালিয়াবেল্লিৰিকা ৰক্সব্ |
| | থুতমালা | গাৰুগাপিন্নাটা |
| | ডালচেনি | চিন্নামুমামজেইলানিচাম |
| উৎপাদন | বাঁহ-জাতি বাঁহ, কেঁকোবাঁহ | বাম্বুছা |
| | বেত-জাতি বেত, লেজাই বেত | ডেণ্ড্ৰকেল্মাছমিল্টনী ট্ৰুডা<br>কেলামাছ টেনুইছ |
| | | কেলামাছ ফ্লৰিবাণ্ডুছ |
| অন্যান্য, যদি আছে | - | - |

**উৎস ঃ** বন বিভাগৰ কৰ্মচাৰী আৰু সম্প্ৰদায়ৰ সদস্যৰ সৈতে আলোচনা

## ২। বনোন্নয়ন পৰিকল্পনাৰ অন্যান্য কাৰ্যসূচী

তলৰ উপশাখাসমূহত ঢেকীয়াজান ৰাজালি জে এফ এম চিৰ বনোন্নয়ন পৰিকল্পনাৰ অন্যান্য কাৰ্যসূচীসমূহ দিয়া হ'ল ঃ

### ২.১। জে এফ এম চিৰ অতীতৰ সুৰক্ষা ব্যৱস্থা

ঢেকীয়াজান ৰাজালি জে এফ এম চিত অতীত লোৱা বন সুৰক্ষা ব্যৱস্থাসমূহ তলত আলোচনা কৰা হ'ল ঃ

ক) জড়িত পৰিয়াল সংখ্যা ঃ ৩০০

খ) জড়িত লোকৰ সংখ্যা ঃ ১৪৯০

গ) গৃহীত ব্যৱস্থাৰ সাৰাংশ ঃ জে এফ এম চি গঠন কৰাৰ পূৰ্বে জে এফ এম চি-ৰ সদস্যসকলৰ দ্বাৰা এই ধৰণৰ সুৰক্ষা ব্যৱস্থা গ্ৰহণ কৰাৰ কোনো তথ্য নাই।

ঘ) কোনো আনুষ্ঠানিক ব্যৱস্থা ঃ শূন্য

**উৎস ঃ** বন বিভাগৰ কৰ্মচাৰী আৰু জে এফ এম চিৰ সদস্যৰ সৈতে আলোচনা

### ২.২। বনজ উৎপাদনৰ ঘৰুৱা চাহিদা

স্থানীয় সম্প্ৰদায়ৰ ঘৰুৱা চাহিদাৰ বাবে বনজ উৎপাদনৰ ওপৰত নিৰ্ভৰশীলতাৰ তথ্য তলৰ তালিকাত দাঙি ধৰা হ'ল।

**তালিকা- ৪ (ক) ঃ ঢেকীয়াজান ৰাজালি জে এফ এম চিৰ প্ৰতিটো পৰিয়ালৰ বনজ উৎপাদনৰ ঘৰুৱা চাহিদা**

| বনজ উৎপাদনৰ নাম | পৰিয়ালৰ গড় চাহিদা | | বৰ্তমান কিভাৱে চাহিদা পূৰণ হৈছে | উৎস |
|---|---|---|---|---|
| | চাহিদাৰ সময় ব্যৱধান | আনুমানিক পৰিমাণ/ বছৰ | | |
| কাঠখৰি | ১০০ শতাংশ | ৫৫০-৭৩০ কিঃ গ্ৰাঃ | গছৰ ডাল আদি কাটি | সংৰক্ষিত বনাঞ্চল |
| ঘৰৰ বাবে কাঠ | ৬০ শতাংশ | ৪-৫ টা | গছৰ ডাল আদি কাটি | সংৰক্ষিত বনাঞ্চল |
| সঁজুলিৰ বাবে সৰু কাঠ | ১০০ শতাংশ | ০.৩এম$^{৩}$ -০.৪এম$^{৩}$ | গছৰ ডাল আদি কাটি | সংৰক্ষিত বনাঞ্চল |
| খুঁটা / বাঁহ | ৬০-৭০ শতাংশ | ৫০-৬০টা | বাঁহনীৰ পৰা কাটি | সংৰক্ষিত বনাঞ্চল |
| বনাঞ্চলৰ পৰা পশুখাদ্য | ১০০ শতাংশ | ২১৯০ কিঃ গ্ৰাঃ | ঘাঁহ, গছৰ পাত আদি | সংৰক্ষিত বনাঞ্চল |
| এন টি এফ পি | ১০০ শতাংশ | ১৮২-২০০ কিঃগ্ৰাঃ | সংগ্ৰহ | সংৰক্ষিত বনাঞ্চল |
| অন্যান্য | — | — | — | — |

**উৎস ঃ** বন বিভাগৰ কৰ্মচাৰী আৰু জে এফ এম চিৰ সদস্যৰ সৈতে আলোচনা

ঢেকীয়াজান ৰাজালি জে এফ এম চিত মুঠ ৩০০ ঘৰ পৰিয়াল আছে। ওপৰৰ তালিকা আৰু এই পৰিয়ালৰ সংখ্যাৰ পৰা এইটো গম পোৱা যায় যে লংকাচি পূৰ্বাঞ্চল গাঁৰৰ বাবে বছৰি মুঠ বনজ উৎপাদনৰ চাহিদা নিজৰ ব্যৱহাৰৰ বাবে তলত দিয়া ধৰণৰ—

**তালিকা- ৪ (খ ) ঃ ঢেকীয়াজান ৰাজালি জে এফ এম চিৰ সকলো পৰিয়ালৰ বনজ উৎপাদনৰ মুঠ বাৰ্ষিক চাহিদা**

| বনজ উৎপাদনৰ নাম | সম্প্ৰদায়ৰ চাহিদা বাৰ্ষিক কিঃগ্ৰাঃ (*) | মন্তব্য |
|---|---|---|
| কাঠখৰি | ৫৫০০০-৭৩০০০ কিঃ গ্ৰাঃ | গাঁৱত ৰন্ধন গেছৰ দৈনিক ১.৫-২ কিঃ গ্ৰাঃ ব্যৱহাৰ |
| ঘৰৰ বাবে কাঠ (খুঁটাৰ আকাৰৰ) | ২৪০-৩০০টা | - |
| সঁজুলিৰ বাবে সৰু কাঠ | ৩০-৪৫এম$^{৩}$ | - |
| খুঁটা / বাঁহ | ৩০০০-৪২০০টা বাঁহ | বেৰ, ঘৰ আৰু অন্যান্য সঁজুলি নিৰ্মাণৰ বাবে ব্যৱহাৰ কৰা হয় |
| বনাঞ্চলৰ পৰা পশুখাদ্য | ২১৯০০০কিঃগ্ৰাঃ | — |
| এন টি এফ পি | ১৮২০০-২০০০০কিঃগ্ৰাঃ | — |
| অন্যান্য | — | — |

## ২.৩। গাঁওবাসীৰ দ্বাৰা বনজ উৎপাদন সামগ্ৰী সংগ্ৰহ আৰু বিপণন

পৰিয়ালৰ ঘৰুৱা ব্যৱহাৰৰ উপৰি এই ধৰণৰ সামগ্ৰী সংগ্ৰহ কৰি স্থানীয় বজাৰত বিক্ৰীৰ জৰিয়তে গাঁওবাসী বনজ উৎপাদনৰ ওপৰত নিৰ্ভৰশীল। ঢেকীয়াজান ৰাজালি জে এফ এম চিৰ গাঁওবাসীৰ দ্বাৰা বনজ উৎপাদন সংগ্ৰহ আৰু বিপণনৰ তথ্য তলৰ তালিকাত উল্লেখ কৰা হ'ল—

**তালিকা- ৫ (ক) ঃ ঢেকীয়াজান ৰাজালি জে এফ এম চিৰ গাঁওবাসীৰ দ্বাৰা বনজ উৎপাদন সংগ্ৰহ আৰু বিপণন**

| বনজ উৎপাদনৰ নাম | বিপণনৰ বাবে সংগ্ৰহ | | | সংগ্ৰহৰ স্থান |
|---|---|---|---|---|
| | ঋতু / মাহ | সংগ্ৰহকাৰী পৰিয়ালৰ সংখ্যা | সংগৃহীত সামগ্ৰীৰ গড় পৰিমাণ (কিঃ গ্ৰাঃ) | |
| কাঠখৰি | অক্টোবৰৰ পৰা মাৰ্চলৈকে | ১০% ৰ পৰা ২০% পৰ্যন্ত | ৪৮০০ কিঃ গ্ৰাঃৰ পৰা ৯৬০০ কিঃ গ্ৰাঃ | বনাঞ্চল |
| ঘৰৰ বাবে কাঠ | — | — | — | — |
| সঁজুলিৰ বাবে সৰু কাঠ | — | — | — | — |
| বাঁহ | অক্টোবৰৰ পৰা মাৰ্চলৈকে | ১০% | ৪৮০০টা | বনাঞ্চল এলেকা |
| খুঁটা | — | — | — | — |
| বনাঞ্চলৰ পৰা পশুখাদ্য | — | — | — | — |
| এন টি এফ পি | গোটেই বছৰ জুৰি | ৪০% | ৪৮০ কিঃ গ্ৰাঃ | বনাঞ্চল |
| অন্যান্য | — | — | — | — |

**উৎস ঃ** বন বিভাগৰ কৰ্মচাৰী আৰু জে এফ এম চিৰ সদস্যৰ সৈতে আলোচনা

ওপৰৰ তালিকাত উল্লিখিত তথ্যৰ লগত সম্পৰ্কিত কিছু প্ৰাসংগিক তথ্য তলৰ তালিকাত দিয়া হ'ল।

**তালিকা- ৫ (খ) ঃ বনজ উৎপাদন সংগ্ৰহ আৰু বিপণন— অতিৰিক্ত তথ্য ঢেকীয়াজান ৰাজালি জে এফ এম চি**

| বনজ উৎপাদনৰ নাম | উদ্বৃত্ত বিপণন (কিঃ গ্ৰাঃ) | কেনেদৰে বিপণন কৰা হয় | বনজ উৎপাদন বিক্ৰীৰ মাধ্যমেৰে প্ৰতিটো পৰিয়ালৰ গড় আয় |
|---|---|---|---|
| কাঠখৰি | — | — | — |
| ঘৰৰ বাবে কাঠ | — | — | — |
| ব্যৱহাৰৰ বাবে সৰু কাঠ | — | — | — |
| বাঁহ | — | — | — |
| লাখুঁটি | — | — | — |
| বনাঞ্চলৰ পৰা পশুখাদ্য | — | — | — |
| এন টি এফ পি | — | — | — |
| অন্যান্য— | — | — | — |

### ২.৪। বনজ উৎপাদনৰ মুঠ চাহিদা— ঘৰুৱা ব্যৱহাৰ আৰু বিপণনৰ বাবে

পূৰ্বে উল্লেখ কৰা উপ-শাখাৰ তথ্যৰ ভিত্তিত ঢেকীয়াজান ৰাজালি জে এফ এম চিৰ সম্প্ৰদায়ৰ সদস্যসকলৰ বনজ উৎপাদনৰ মুঠ চাহিদাৰ সাৰাংশ তলত দিয়া হ'ল।

**তালিকা- ৬ ঃ ঢেকীয়াজান ৰাজালি জে এফ এম চিৰ গাঁওবাসীৰ বনজ উৎপাদনৰ মুঠ চাহিদা**

| বনজ উৎপাদনৰ নাম | সম্প্ৰদায়ৰ চাহিদা (বাৰ্ষিক কিঃ গ্ৰাঃ) তাৰিকা-৪ (খ)ৰ পৰা | উদ্বৃত্ত বিপণন কৰা হৈছে তালিকা-৫ (খ)ৰ পৰা | মুঠ চাহিদা (কিঃ গ্ৰাঃ) |
|---|---|---|---|
| কাঠখৰি | — | — | — |
| ঘৰৰ বাবে কাঠ | — | — | — |
| ব্যৱহাৰৰ বাবে সৰু কাঠ | — | — | — |
| বাঁহ | — | — | — |
| লাখুঁটি | — | — | — |
| বনাঞ্চলৰ পৰা পশুখাদ্য | — | — | — |
| এন টি এফ পি | — | — | — |
| অন্যান্য— | — | — | — |

## ৩। বন সুৰক্ষা সংক্ৰান্তীয় বিষয়

### ৩.১। সুৰক্ষা সমস্যাসমূহ

ঢেকীয়াজান ৰাজালি জে এফ এম চিৰ বনাঞ্চল সুৰক্ষাৰ বিষয়সমূহ সংক্ষিপ্তভাৱে তলত দিয়া হ'ল—

**তালিকা- ৭ ঃ ঢেকীয়াজান ৰাজালি জে এফ এম চিৰ বন সুৰক্ষা সংক্ৰান্তীয় বিষয়সমূহ**

| সমস্যাৰ ধৰণ | প্ৰাসংগিক (হয়/নহয়) | গুৰুত্ব (হয়/নহয়) |
|---|---|---|
| চৰণীয়া পথাৰ-স্থানীয় পশু | হয় | হয় |
| চৰণীয়া পথাৰ- অন্যান্য এলেকাৰ পশু | নহয় | নহয় |
| বেআইনিভাৱে কাঠকটা | হয় | নহয় |
| কাঠ চোৰাং চালান | নহয় | নহয় |
| দুৰ্ঘটনাবশতঃ অগ্নিকাণ্ড | নহয় | নহয় |
| বনভূমি বেদখল | হয় | নহয় |
| অন্যান্য (বন্যপ্ৰাণী চোৰাং চিকাৰ) | হয় | নহয় |

**উৎস ঃ** বন বিভাগৰ কৰ্মচাৰী আৰু জে এফ এম চিৰ সদস্যৰ সৈতে আলোচনা

সেয়েহে, উপৰোক্ত জে এফ এম চিত বন সুৰক্ষা সংক্ৰান্তীয় বিষয়ত সন্মুখীন হোৱা বৈশিষ্ট্যসমূহ হ'ল—

**ক) স্থানীয় পশু চাৰণ**

### ৩.২। বনাঞ্চল ধ্বংসৰ কাৰণসমূহ

ঢেকীয়াজান ৰাজালি জে এফ এম চিত বনাঞ্চল ধ্বংসৰ কাৰণসমূহ তলত দিয়াৰ দৰে উল্লেখ কৰিব পাৰি—

ক) স্থানীয় পশুচাৰণ

## ৪। বনাঞ্চল উন্নয়ন পৰিকল্পনাৰ বিষয়সমূহ

তলত উল্লেখ কৰা উপ-বিভাগত ঢেকীয়াজান ৰাজালি জে এফ এম চিৰ বন উন্নয়ন পৰিকল্পনাৰ প্ৰধান বিষয়সমূহ তলত উল্লেখ কৰা হ'ল। এইবোৰ হৈছে যেনে— সুৰক্ষাৰ পৰিকল্পনা, বনাঞ্চল উন্নয়ন (নিৰাময়), নাৰ্ছাৰি উন্নয়ন, ৰক্ষণাবেক্ষণ আৰু বিবিধ প্ৰকাৰৰ কাম-কাজ।

### ৪.১। সুৰক্ষা পৰিকল্পনা

